# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 24-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::

অসম মন্ত্ৰীসভাৰ বৈঠকে আজি কামাখ্যাৰ পৰা আজাৰা হৈ গোৱালপাৰা সংযোগী ৰেলপথছোৱাৰ দ্বৈতকৰণৰ বাবে প্ৰয়োজনীয় ভূমি আৱণ্টনত অনুমোদন জনাইছে। দিশপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে আজি এই পথছোৱাৰ বাবে ৮ বিঘা ভূমি ৰেলৰেক হস্তান্তৰ কৰাত অনুমোদন জনাই বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। হাজো, মাজুলী আৰু টিংখঙত নিৰ্মীয়মান কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠানৰ বাবে এশ ৫০ কোটি টকাৰ প্ৰশাসনীয় অনুমোদনৰ পুনৰ বৈধকৰণত সন্মতি জনাইছে। অসমৰ বিভিন্ন অভিযান্ত্ৰিক আৰু কাৰিকৰী মহাবিদ্যালয়ত অংশকালীনভাৱে নিয়োজিত ৫৫১ গৰাকী অধ্যাপকক স্থায়ী পদত নিযুক্তিৰ বাবে আজি কেবিনেটে অনুমোদন জনায়। ৰাজ্য চৰকাৰৰ অভিলাসী আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ৩ লাখ ২৩ হাজাৰ ৬৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক ১৪৮ কোটি ৫৫ লাখ টকা ব্যয়েৰে চাইকেল প্ৰদানৰ সিদ্ধান্তত আজি কেবিনেটে বিত্তীয় অনুমোদন জনায়। ইয়াৰ ফলত দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰীসকলে সময়মতে বিদ্যালয়ত উপস্থিত হোৱাৰ লগতে বিদ্যালয়ৰ শিক্ষা আধৰুৱাকৈ এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব বুলি আশা কৰা হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে ৰাজ্য চৰকাৰৰ আগতীয়া অনুমোদন অবিহনে অস্থায়ীভাৱে নিযুক্তি প্ৰদান কৰা ১৩১ গৰাকী শিক্ষকৰ পদ নিয়মীয়াকৰণৰ বাবে আজি কেবিনেটে সিদ্ধান্ত লয়।

০০০

চিবিআইৰ আদালতে আজি ৰাজ্যৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মনৰ ওপৰত এটা নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনে চলোৱা আক্ৰমণৰ ঘটনাৰ ৰায়দান কৰি ৩ জন অভিযুক্তক দোষমুক্ত হিচাপে ঘোষণা কৰিছে। আদালতে সাক্ষ্য প্ৰমাণৰ অভাৱত এই গোচৰৰ ৩ গৰাকী অভিযুক্ত ৰাজু বৰুৱা, হীৰা শৰণীয়া আৰু অজিত নাথক গোচৰৰ পৰা ৰেহাই দিয়ে। উল্লেখযোগ্য যে ১৯৯৫ চনৰ ৩০ ডিচেম্বৰত নলবাৰী শনিৰোডৰ লাউপাৰাত কনভয়ৰ সৈতে গৈ থকা অৱস্থাত মন্ত্ৰীগৰাকীৰ ওপৰত উগ্ৰপন্থী সংগঠনটোৱে আক্ৰমণ চলাইছিল। এই আক্ৰমণত প্ৰয়াত বৰ্মনৰ ব্যক্তিগত দেহৰক্ষী, সুৰক্ষাকৰ্মীসহ কেইবাজনৰো মৃত্যু হৈছিল।

০০০

সমাগত দুৰ্গা পূজাৰ লগতে অন্যান্য উৎসৱসমূহ শান্তিপূৰ্ণভাৱে উদ্‌যাপন কৰাৰ লক্ষ্যৰে আজি কেইবাখনো জিলাত প্ৰশাসনে বৈঠক অনুষ্ঠিত কৰে। যোৰহাট জিলা আয়ুক্তই আজি জিলাখনৰ বিভিন্ন পুজা সমিতিৰ বিষয়ববীয়াৰ সৈতে দুৰ্গা পূজা, কালী পুজা আৰু ষট পুজা সন্দৰ্ভত আলোচনা কৰে। তেওঁ জিলাখনত পূৰ্বৰ দৰে শান্তি-শৃংখলা অটুত ৰাখি উৎসৱ উদযাপন কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। তদুপৰি

জিলাখনৰ পুজা মণ্ডপসমূহত উপযুক্ত পোহৰ আৰু খোৱা পানীৰ ব্যৱস্থা, স্বেচ্ছাসেৱী নিয়োগ আৰু মাদকদ্ৰব্যৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ বাবে পদক্ষেপ লবলৈ তেওঁ আহ্বান জনায়। সভাত জিলা আৰক্ষী অধীক্ষকে শান্তিপূৰ্ণভাৱে পুজা উদযাপন কৰিবলৈ প্ৰশাসনে নিৰ্ধাৰণ কৰা নীতি-নিয়মসমূহ মানি চলিবলৈ আহ্বান জনাইছে। ইপিনে, গোলাঘাট জিলাতো আজি আয়ুক্তৰ অধ্যক্ষতাত শাৰদীয় পূজাৰ বাবে এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। এই সভাত পূজা উদযাপনৰ অনুমতি বিচাৰি আগতীয়াকৈ দাখিল কৰিবলগীয়া বিভিন্ন নিৰ্দেশনা সন্দৰ্ভত আলোচনা কৰা হয়। প্ৰতিখন পুজা মণ্ডপত সুৰক্ষা আৰু অগ্নিনিৰ্বাপন ব্যৱস্থা বাধ্যতামূলক কৰাৰ লগতে মণ্ডপৰ সমীপত অস্বাস্থ্যকৰ খাদ্য বিক্ৰী নিষিদ্ধ কৰিবলৈ কোৱা হৈছে। তদুপৰি পুজা স্থলী আৰু মণ্ডপসমূহত চিচি টিভি কেমেৰা সংস্থাপন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০

দক্ষিণ এছিয়া, মধ্যপ্ৰাচ্য আৰু আফ্ৰিকীয় পৰিক্ৰমা বিভাগৰ সঞ্চালক প্ৰধান শচিৰিৎ তাংগুলৰাতৰ নেতৃত্বত থাইলেণ্ডৰ ১৫ খন বিশ্ববিদ্যালয়ৰ ৩২ গৰাকী শিক্ষাবিদ আৰু বিষয়াৰ এটা প্ৰতিনিধি দলে আজি সহযোগিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয় ভ্ৰমণ কৰে। শৈক্ষিক বিনিময় কাৰ্যসূচী, গৱেষণা সহযোগিতা আৰু থাই অধ্যয়নৰ বিষয় সম্ভাব্য প্ৰৱৰ্তনৰ বাবে দলটোৱে এই ভ্ৰমণ কৰে। প্ৰতিনিধি দলটোৱে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, বিভিন্ন অনুষদৰ ডীন আৰু প্ৰশাসনীয় বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। তেওঁলোকে বিভিন্ন বিভাগৰ অধ্যাপকসকলৰ পৰাও মতামত গ্ৰহণ কৰে।

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ২৬ নৱেম্বৰৰ পৰা তিনি দিনীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন বজাৰ অনুষ্ঠিত হ'ব। পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাজিৰঙাত আজি এই কথা প্ৰকাশ কৰি কয় যে, কাজিৰঙা পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আয়োজন কৰা এই পৰ্যটন বজাৰত বিশ্বৰ বিভিন্ন দেশৰ পৰ্যটনৰ লগত জড়িত অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিব। ২৮ নৱেম্বৰলৈ চলিবলগীয়া এই কাৰ্যসূচীত দেশ-বিদেশৰ প্ৰায় ৩০০ গৰাকী প্ৰতিনিধিক কাজিৰঙাৰ পৰ্যটন ক্ষেত্ৰৰ লগত পৰিচয় কৰায় দিবলৈ সকলো সুবিধা প্ৰদান কৰা হ'ব। কাজিৰঙাত চলি থকা টুৰিষ্ট গাইড প্ৰশিক্ষণ কাৰ্যসূচীত আজি অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰী বৰুৱাই এই মন্তব্য কৰে। অহা এক অক্টোবৰৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ব আৰু ইয়াৰ আটাইবোৰ পৰ্যটন নিবাসত ইতিমধ্যে আগতীয়া বুকিং সম্পন্ন হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইফালে, মন্ত্ৰী শ্ৰী বৰুৱাই আজি ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ অধীনত কাজিৰঙাত থকা **বনানি, বনশ্ৰী আৰু কুঞ্জবন** নামৰ তিনিটাকৈ অতিথিশালাৰ নৱীকৰণ আৰু উন্নয়নৰ পৰ্যৱেক্ষণ কৰে। ৰাজ্যখনৰ পৰ্যটন আন্তঃগাঁথনি বিকাশৰ বাবে নিৰন্তৰ প্ৰচেষ্টাৰ অংশস্বৰূপে পৰ্যটন ক্ষেত্ৰৰ অতিথিশালাসমূহ ন-ৰূপত সজাই তোলা বুলি তেওঁ জানিবলৈ দিয়ে।

০০০

ঃঃ সমাপ্ত ঃঃ